নাম - শ্ৰীমতী চহাগী টুডু

মহাবিদ্যালয়ৰ নাম - বৰহাট ভৱানী প্ৰসাদ বৰুৱা সোঁৱৰণী মহাবিদ্যালয়

শ্ৰেণী - স্নাতক তৃতীয় ষাণ্মাসিক

গাঁও - নাহৰ পুখুৰী কোঁৱৰ গাঁও, বৰহাট

ডাক - বৰহাট

থানা - বৰহাট

পিন - ৭৮৫৬৯৩

ফোন নং - ৭৮৬৯০১৪৭৭৩৭৮

একাউন্ট নং - ৭১৭৪০২৬০১৪৭৯০

জিলা - চৰাইদেউ, অসম

# দিচাং নদী : প্ৰদূষণ, সংৰক্ষণ আৰু তোমাৰ অভিজ্ঞতা ।

**আৰম্ভণি** :- প্ৰধানতঃ অসম এখন নদীমাতৃক ৰাজ্য । প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ অসমৰ বুকুত নদী, উপনদী, জান - জুৰি, লুইতৰ পৰা বৰাকলৈ, ডিগবৈৰ পৰা সোণাপিৰিলৈ এই নদ - নদীবোৰ অসমৰ মানুহৰ সভ্যতা - সংস্কৃতিৰ বাবে অতি মূল্যৱান । তদুপৰি অসমৰ গ্ৰাম্য মানুহৰ বাবে নদীসমূহ প্ৰাণ কেন্দ্ৰ স্বৰূপ । অসমৰ এই গ্ৰাম্য মানুহে দৈনন্দিন জীৱন পৰিচালনা কৰি সুস্থ জীৱন যাপন কৰাৰ ক্ষেত্ৰত নদীসমূহে বিশেষ অৱদান আগবঢ়ায় । অসমৰ প্ৰধান নদী দুখন - ব্ৰহ্মপুত্ৰ আৰু বৰাক । এই দুয়োখন নদীৰে বহুতো উপনদী আছে । ব্ৰহ্মপুত্ৰ নদীৰ এখন অন্য অন্যতম প্ৰধান উপনদী হৈছে - দিচাং নদী ।

**উৎপত্তি** :- দিচাং নদী হৈছে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ উপনদী । এই নদীৰ দৈৰ্ঘ্য ২০০ কি:মি: আৰু অৱবাহিকাৰ কালি ৩৯৫০ বৰ্গ কি:মি: । দিচাং নদীখন অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ দক্ষিণ অংশৰ পাটকাই পৰ্বতৰ ২৫০০ মিটাৰ ওখ ব্ৰুম শৃংগৰ পৰা ওলাইছে । যিয়ে অসমৰ সীমাৰ কাষেৰে বৈ আহি দিল্লী নদী নাম লৈ নামৰূপৰ দিল্লীঘাট হৈ নামৰূপ

ষ্টেচনৰ পৰা ২ কি:মি: দক্ষিণে বৈ গৈ আপেখাতী সংৰক্ষিত বনাঞ্চল সীমা অতিক্রম কৰাৰ আগতে বৰহাটিৰ পশ্চিম দিশৰ পৰা বৈ লংপতিয়া হৈ টিমক নদীৰ লগ হয়। ইয়াৰ পৰা ৬০ কি:মি: পশ্চিম দক্ষিণ দিশত বৈ গৈ টাওকাক নদীৰ লগ হয়। তাৰ পাছত ১২ কি:মি: আহি চক্ৰাই নদীৰ সৈতে লগ লাগি ৫ কি:মি: ভটিয়াই নতুনামৰা হৈ ৰজাবাৰীত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ ৫ কি:মি: আহি আথৈখুটিয়াৰ বিপৰীত পাৰে বৰ পালেঙী জানৰ লগ হয়। তাৰ পাছত ডিমৌ নদীত লগ হৈ ৫ কি:মি: ভটিয়াই আহি দিচাংমুখৰ ব্ৰহ্মপুত্ৰত পৰিছে।

<u>নদীৰ উপকাৰিতা আৰু অপকাৰিতা</u> :- সাধাৰণতে লক্ষ্য কৰিলে দেখা যায় যে সকলো বস্তুৰে দোষ-গুণ বা উপকাৰিতা বা অপকাৰিতা গুণ আদি থাকে। ঠিক সেইদৰে নদীৰ ক্ষেত্ৰত ইয়াৰ ভাল আৰু বেয়া গুণ আছে। নদী এখন হৈছে পানীৰ উৎস। অসমৰ প্ৰধান কৃষি ধান। যত অসমৰ কৃষকসকলে বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি খেতি কাৰ্য সম্পাদন কৰি এটা স্বচ্ছল জীৱন অতিবাহিত কৰিবলৈ সক্ষম হয়। যদিও বহু সময়ত দেখা যায় যে প্ৰয়োজনৰ সময়ত বৰষুণ নিদিয়াৰ ফলত কৃষকসকলৰ যথেষ্ট কষ্ট হয়। এই কষ্ট কিন্তু নদী-সমূহে দূৰ কৰাত বিশেষ সহায় কৰে। যত নদীত মথাউৰিৰ সৃষ্টি কৰি খেতি-বাতিৰ বাবে

উপায়ুক্ত তথা পৰ্যাপ্ত পৰিমাণৰ পানী নদীৰ পৰা জলসিঞ্চনৰ ব্যৱস্থা কৰি কৃষিভিত্তিক সমস্যা দূৰ কৰা হয়। ঠিক সেইদৰে এচাম মানুহে প্ৰয়োজন অনুসাৰে জলবিদ্যুৎ প্ৰকল্প গঢ়ি লৈ জনসাধাৰণক সেৱা আগবঢ়ায়। তাৰোপৰি বহুতো মানুহে মাছমৰীয়া হিচাপে কাৰ্যৰত হৈ জীৱন-জীৱিকাৰ পথ মুকলি কৰে। নৈ কাষৰীয়া লোকে নদীৰ পানীকে দৈনন্দিন ব্যৱহাৰ কৰি থাকে।

আনহাতেদি নদীৰ প্ৰধান দোষ হৈছে বাৰিষা কালত নদীৰ পানী বাঢ়ি গৈ বানপানীৰ সৃষ্টি কৰা। যাৰ ফলত নৈ কাষৰীয়া লোকৰ ঘৰ বাৰী ধ্বংস হোৱাৰ লগতে মানুহৰ লগতে আন জীৱ-জন্তুৰো প্ৰাণ নাশ হয়। যিয়ে এক ভয়ংকৰ, মৰ্মান্তিক আৰু বেদনাদায়ক পৰিৱেশৰ সৃষ্টি কৰে। তাৰোপৰি নদীৰ গৰাখহনীয়াও এক জ্বলন্ত সমস্যা। বাৰু যি কি নহওঁক নদীৰ অপকাৰিতাৰ তুলনাত উপকাৰিতাৰ পৰিমাণে বহু ক্ষেত্ৰত বেছি, গতিকে নদীৰ অপকাৰিতা ৰোধৰ ক্ষেত্ৰত জনসচেতনতাই হৈছে উৎকৃষ্ট উপায়।

<u>দিচাং নদীৰ প্ৰদূষণ</u> :- বিশুদ্ধ পানী জীৱজগতৰ এক অপৰিহাৰ্য উপাদান। পানীৰ অবিহনে জীৱই জীৱন নিৰ্বাহ কৰিব নোৱাৰে। যেতিয়া কোনো প্ৰাকৃতিক কাৰণত নাইবা জৈৱিক মানুহৰ কাৰ্যকলাপৰ ফলত

জৈৱ, অজৈৱ নাইবা জৈৱিক (Organic, Inorganic or Biological) কাৰকবোৰৰ অবাঞ্চিত পানীৰ সাধাৰণ গুণাগুণ বিনষ্ট হৈ মানুহৰ গ্ৰহণৰ অনুপযোগী হয় তেনে পানীক দূষিত পানী আৰু যি পদ্ধতিত পানী দূষিত হয় তাক জল প্ৰদূষণ (Water pollution) বোলে।

দিচাং নদীৰ পানী প্ৰদূষণৰ ক্ষেত্ৰতো বহুতো কাৰক জড়িত হৈ আছে। এই ক্ষেত্ৰত মই নিজস্ব কিছুমান অভিজ্ঞতা ব্যক্ত কৰিম। সাধাৰণতে গ্ৰাম্য অঞ্চলত খৰালি কালত পানীৰ নাটনিৰ সৃষ্টি হয়। যাৰ ফলত গাৱঁৰ প্ৰায়বিলাক লোকেই কামৰ কোনো এখন নদীৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। যিহেতুকে মই বৰহাট এলেকাৰ বাসিন্দা। আমাৰ অঞ্চলৰ পশ্চিম দিশতে দিচাং নদীখন আছে। যত খৰালি কালত গাৱঁৰ বয়সস্থ সকলোবিলাক লোকেই কাপোৰ-কানি ধোৱা বা গা ধুৱা আদি কামৰ বাবে দিচাং নদীলৈ যায়। এনে কৰাৰ ক্ষেত্ৰত গাৰ মলিয়েই হওঁক বা মলিয়ন কাপোৰ ধুৱাৰ ফলত নদীৰ পানীৰ লগত মিলি গৈ জল প্ৰদূষণ ঘটায় আৰু এই নদীৰ পানীকে কোনো-কোনো এলেকাৰ লোকে দৈনন্দিন কাৰ্যত ব্যৱহাৰ কৰে।

ঠিক সেইদৰে দিচাং নৈ কাষত বহুতো চাহ-বাগিচাসমূহ আছে। যেনে- বৰহাট বাগিচা, শান্তিপুৰ, সুন্দৰপুৰ (আমাৰ ঘৰৰ ওচৰত) আদিত

বহু সময়ত বাগিচাত দৰৱ আদি ব্যৱহাৰ কৰে। যাৰ বাবে নদীৰ পানীখিনিকে কামত লগায়। আৰু কেতিয়াবা দৰৱৰ বটল বা বৈ যোৱা (স্প্ৰে কৰি) দৰৱ মিহলি পানীখিনি বাগিচাত যাতে আন জীৱৰ প্ৰাণ নাশ নহয় তাৰ বাবে দিচাং নদীত পেলাই দিয়া হয়। ইয়াৰ ফলত দিচাং নদীৰ পানী প্ৰদূষণ হৈছে।

নদীৰ পানী প্ৰদূষণৰ ক্ষেত্ৰত নগৰীকৰণৰ প্ৰভাৱো আছে। বৰ্তমান জনসংখ্যা বৃদ্ধিৰ লগে লগে চহৰ অঞ্চলৰ লগতে গ্ৰাম্যাঞ্চলৰ লোকেও ঘৰত দৈনিক সৃষ্টি হোৱা আবৰ্জনাবোৰ প্ৰায়েই নদীসমূহত নিক্ষেপ কৰে। এই আবৰ্জনাসমূহৰ ভিতৰত প্লাষ্টিক, পলিথিন বেগ, ৰবৰ, কাগজ, প্ৰাণীৰ মলমূত্ৰ আৰু বহুতো অজৈৱিক পদাৰ্থ। যিয়ে পানীত নানা ৰাসায়নিক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি পানী দূষিত কৰে ফলত জলজ প্ৰাণীৰ মৃত্যু হয়। এই ক্ষেত্ৰত দিচাং নদীখনো ইয়াৰ ব্যতিক্ৰম নহয়।

দিচাং নদীৰ পানী প্ৰদূষণৰ ক্ষেত্ৰত ঔদ্যোগিক প্ৰদূষণ কাৰকেও প্ৰভাৱ বিস্তাৰ কৰিছে। বৰ্তমান দিচাং নদীৰ পাৰত বহুতো কল-কাৰখানা আদি স্থাপন কৰা হৈছে। এইসমূহৰ পৰা নিৰ্গত হোৱা ধাতৱ পদাৰ্থবিলাক বৰষুণৰ পানীয়ে মাটিৰ ওপৰেৰে জানৰ পৰা উটুৱাই নি নদী আদিত পেলাই দি পানী

প্ৰদূষণ কৰে।

এনেদৰে বস্তুবোৰ কাৰণত বৰ্তমান দিচাং নদীৰ পানী প্ৰদূষণ হৈ আছে। যাৰ ফলত কেৱল প্ৰথম মানুহ ক্ষতিগ্ৰস্ত হৈ মৰা নাই বৰং বিপৰীতে দিচাং নদীত প্ৰাপ্ত বস্তুবোৰ মাছ, কাছ বা আন জলচৰ প্ৰাণী আদি সকলোবিলাকেই মৃত্যুৰ কবলত গ্ৰাসিত আছে। যদি আমি এইক্ষেত্ৰত সাধাৰণভাৱে চাওঁ তেনেহ'লে বৰ বিশেষ একো হোৱা নাই যেন অনুভৱ হ'ব, কিন্তু যদি অলপ হ'লেও চিন্তা কৰোঁ তেতিয়াহে ইয়াৰ বাস্তৱ চিত্ৰ ফুটি উঠিব। যিসকল লোকে নদী বা পানীৰ আশাত জীৱন অতিবাহিত কৰি আছে তেওঁলোকৰ অৰ্থনৈতিক, সামাজিক আদি সকলো দিশেই নাইকীয়া হৈ পৰাৰ সম্ভাৱনা আছে। যাৰ ফলত নদী বা নদীৰ পানী প্ৰদূষণ ৰোধ কৰা অন্যথা ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰাটো নিতান্তই প্ৰয়োজন।

দিচাং নদী তথা পানীৰ প্ৰদূষণৰ প্ৰভাৱ :- জল বা পানী প্ৰদূষণৰ ক্ষেত্ৰত যি সমূহ কাৰকে ক্ৰিয়া কৰে তাৰ ফলত জীৱজগত বিভিন্ন ধৰণে ক্ষতিগ্ৰস্ত হ'ব পাৰে। সাধাৰণতে নদী আদিৰ প্ৰদূষিত পানীত অসংখ্য ৰোগ সৃষ্টিকাৰী বেক্টেৰিয়া আৰু অণুজীৱৰ সৃষ্টি হয়। এই পানীৰ দ্বাৰা সংক্ৰমিত প্ৰধান ৰোগসমূহ হ'ল-

টাইফয়েড, কলেৰা, বিভিন্ন ধৰণৰ পেটৰ ৰোগ যেনে - আমাশয়, এমিবিচিছ ইত্যাদি।

ঔদ্যোগিক ক্ষেত্ৰত নিঃক্ষিপ্ত হোৱা আৰ্চেনিক, সীহ, পাৰা আদি প্ৰাণীৰ বাবে ক্ষতিকাৰক আৰু ই য়ে প্ৰাণীৰ স্নায়ুৰোগ সৃষ্টি কৰে।

মৃত উদ্ভিদদেহৰ পচনৰ সময়ত যথেষ্ট পৰিমাণে পানী আৰু অক্সিজেনৰ প্ৰয়োজন হয়। ফলত পানীত থকা অক্সিজেনৰ পৰিমাণ কমি যায় আৰু ইয়ে জলচৰ প্ৰাণীবোৰৰ কাৰণে মৃত্যু কঢ়িয়াই আনে। আনহাতে মৃত দেহৰ পচনৰ সময়ত হোৱা অতিমাত্ৰা দুৰ্গন্ধই বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি কৰে যাৰ ফলত পানীৰ PH-ৰ পৰিমাণ সলনি হয়।

এনেদৰে বহুতো ধৰণে পানী প্ৰদূষণে জীৱ-জগতত বিৰূপ প্ৰভাৱ পেলায়। গতিকে পানী প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত জনসাধাৰণেই প্ৰধানতঃ আৰু শক্তিশালী পদক্ষেপ লোৱা উচিত। দিচাং নদীৰ পানী প্ৰদূষণ তথা সংৰক্ষণৰ ক্ষেত্ৰত এই নীতিয়ে ফল-প্ৰসূদায়ক।

<u>দিচাং নদী সংৰক্ষণ তথা পানী প্ৰদূষণ ৰোধ :-</u>

কোনো এখন নদী সংৰক্ষণ অথবা নদীখনৰ পানী প্ৰদূষণ ৰোধ কৰিবলৈ হ'লে কোনো এটা নিৰ্দিষ্ট ফৰ্মুলা বা আহিলা নাই। ইয়াৰ বাবে আটাইতকৈ

উৎকৃষ্ট আৰু সহজ উপায় বা পথ হ'ল জনসাধাৰণৰ সচেতনতা। জনসাধাৰণে যদি সচেতনতাবোধ কৰে বা তেওঁলোকক পানীৰ প্ৰদূষণৰ ফলত হোৱা নানা অপকাৰিতা আদিৰ বিষয়ে সজাগ কৰি তেওঁলোকে নিশ্চয় ইয়াৰ গুৰুত্ব হৃদয়ংগম কৰিব পাৰিব। তদুপৰি নানা ধৰণৰ প্ৰযুক্তিবিদ্যা, চৰকাৰী নীতি-নিয়ম বা আইনৰ ঐক্যবদ্ধ সহযোগত পানী প্ৰদূষণ ৰোধ তথা দিচাং নদীৰ পানীক সংৰক্ষণ কৰিব পৰা যাব।

(ক) জনসাধাৰণে যাতে নদ-নদী আদিত গা-ধোৱা নাইবা কাপোৰ ধোৱাৰ পৰা বিৰত থাকি পানী প্ৰদূষণ ৰোধ কৰিব পাৰে।

(খ) উদ্যোগ, নলা-নৰ্দমা আদিৰ পানীৰ লগত অহা বৰ্জিত দ্ৰব্যসমূহ পৃথককৰণ প্ৰক্ৰিয়াৰে পৃথক কৰা প্ৰয়োজন। ইয়াৰ পিছত পানীত দ্ৰবীভূত হৈ থকা বিষাক্ত পদাৰ্থ আৰু অণুজীৱবোৰ পৰিশোধন প্ৰক্ৰিয়াৰ (Filtreation) দ্বাৰা পৃথক কৰিহে নদী আদি নিষ্কাশিত কৰিব লাগে।

(গ) কীটনাশক দৰৱ ব্যৱহাৰৰ পৰিবৰ্তে কীটৰ জৈৱিক নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। তদুপৰি যিকোনো বিষাক্ত দৰৱ আদি বৈ গ'লে তাক নদী আদিত পেলাই নিদি তাক অন্য প্ৰকাৰে বিকল্প ব্যৱস্থা লব লাগে।

(ঘ) গোবৰ গেছ প্ৰকল্প স্থাপন কৰি বৰ্জিত মলমূত্ৰ নাইবা আন আন পদাৰ্থসমূহৰ পুনৰাবৰ্তন কৰা প্ৰয়োজন। যাতে এইসমূহ নদীসমূহত পেলাই দিবলগীয়া নহয়।

(ঙ) প্ৰাকৃতিক পানীৰ উৎসবিলাক ভালদৰে সংৰক্ষণ কৰা উচিত। কল-কাৰখানাসমূহ কেৱল দিখৌ নদীৰ কাষতে নহয় সচৰাচৰ নদীসমূহৰ কাষত স্থাপন নকৰি পানীৰ উৎসবিলাকৰ পৰা আঁতৰত থকাটো প্ৰয়োজন।

(চ) ঘৰদুৱাৰৰ পানী খাল নাইবা নলা-নৰ্দমাৰ জৰিয়তে নিৰ্দিষ্ট ঠাইলৈ বৈ যাবলৈ দিব লাগে যাতে ই খোৱা পানীৰ উৎসবিলাক দূষিত নকৰে।

(ছ) বনানীকৰণৰ যোগেদি মাটিৰ খহনীয়া ৰোধ কৰিব লাগে।

(জ) উদ্যোগসমূহে যাতে বৰ্জিত পদাৰ্থসমূহ পানীত পেলাই পানী প্ৰদূষিত কৰিব নোৱাৰে তাৰ বাবে আইন প্ৰণয়ন কৰিব লাগে।

(ঝ) বহুতো লোকে নদীসমূহত আবৰ্জনাসমূহৰ বাদেও বহুতো জীৱ-জন্তুৰ মৰাশ আদি নদীত উটুৱাই দিয়া হয়। গতিকে এনে মৰাশ আদি নদীত পেলোৱাৰ পৰা বিৰত থাকিব লাগে।

<u>সামৰণি</u> :- বিশ্বত জীৱ-জন্তুৰ বাবেই নহয় বৰঞ্চ সেউজীয়া বৃদ্ধি কৰাৰ লগতে দেশৰ বহনক্ষম উন্নয়নৰ বাবে পানীয়েই হৈছে জীৱনৰ একমাত্ৰ উৎস। অতীতৰে পৰা নদীসমূহে মানুহৰ ক্ৰমঃবিকাশৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে মানুহৰ সুস্থ-সবল জীৱন ধাৰণৰ ক্ষেত্ৰত নদীসমূহে বিশেষ ধৰণে গুৰুত্ব লাভ কৰি আহিছে। কিন্তু দুখৰ কথা যে বৰ্তমান সময়ত যি হাৰত পানীৰ প্ৰদূষণৰ মাত্ৰা বাঢ়ি গৈছে তাৰ হিচাপত কম সময়ৰ ভিতৰতে জীৱজগতৰ প্ৰাণীকুল পানীৰ অভাৱত হাহাকাৰ কৰিবলৈ বাধ্য হ'ব। যদিও আমাৰ দেশ ভাৰতবৰ্ষত ৪৫০ খনতকৈ অধিক নদী আছে, ইয়াৰ অৰ্ধেকতকৈ কম নদীৰ অধিক সংখ্যক পানী ব্যৱহাৰৰ বাবে অনুপযোগী। এনে ক্ষেত্ৰত আমাৰ চৰকাৰেও বিহিত ব্যৱস্থা লোৱা উচিত যাতে উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা দূষিত পানীয়ে নদীসমূহৰ পানী প্ৰদূষিত কৰিব নোৱাৰে। এই পৰিপ্ৰেক্ষিতত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বাৰে বাৰে দোহাৰিছে যে মহাত্মা গান্ধী গ্ৰাম্য নিয়োজন আঁচনিৰ জৰিয়তে বৰষুণৰ পানী সংৰক্ষণৰ ব্যৱস্থা কৰিব পৰা যাব পাৰে আৰু এই পৰিকল্পনাৰে সমগ্ৰ দেশৰ ৭৬৪ খন জিলাৰ ৬ লাখ গাঁৱক এনেদৰে উপকৃত কৰিব পৰা যাব।

'অসম আকৌ উন্নতিৰ পথত' খোজ দিলে আমি অসমবাসী নিশ্চয় আনন্দিত হ'ম । কিন্তু সেই উন্নতি, সেই আনন্দ অসমবাসীয়ে বিচৰা-ধৰণে হৈ আছে নে নাই তাৰ প্ৰতি সজাগ দৃষ্টি ৰখাটো নিতান্তই আৱশ্যকীয় । বিপজ্জনক বুলি ভবা কামত সদায় বাধা প্ৰদান কৰাটো প্ৰত্যেক জাতিৰ নিজস্ব অধিকাৰ । ইয়াৰ বাবে আমি সকলোৰে পানী সংৰক্ষণৰ ক্ষেত্ৰত আপোচ-বিহীনভাৱে কাম কৰিব লাগিব হ'ত থাকিব দৃঢ়তা আৰু ইয়াৰ বাবে হ'বলগীয়া ব্যৱস্থাসমূহত থাকিব লাগিব স্বচ্ছতা । তাৰোপৰি সকলো পৰিসংখ্যাই সকলোৰে চাব পৰা হ'ব লাগিব আৰু এই কামত কোনোবা দোষী বিষয়া থাকিলে তেওঁক সঠিক পথলৈ আনি দায়িত্বশীল কৰি তুলিব লাগিব । পানী সংৰক্ষণৰ ক্ষেত্ৰত লবলগীয়া সাৱধানতা জীৱশ্ৰেষ্ঠ মানুহৰ বাবে কষ্টকৰ বা অসম্ভৱ নহয় ।